# অধ্যায়-৪

# কেন্দ্ৰীয় বেংক
# (CENTRAL BANK)

**কেন্দ্ৰীয় বেংকৰ অৰ্থ আৰু সংজ্ঞা ঃ**

কেন্দ্ৰীয় বেংক হৈছে এখন দেশৰ সৰ্বোচ্চ মৌদ্ৰিক প্ৰতিষ্ঠান। ইয়াৰ স্থান এখন দেশৰ মুদ্ৰা আৰু বেংকিং গাঁথনিৰ শীৰ্ষত। কেন্দ্ৰীয় বেংক হৈছে মুদ্ৰা বজাৰৰ নেতা। ই দেশত কাৰ্যনিৰ্বাহ কৰি থকা বাণিজ্যিক বেংকবোৰৰ কাৰ্যকলাপ নিয়ন্ত্ৰণ আৰু তত্বাৱধান কৰে। কেন্দ্ৰীয় বেংক হৈছে কেন্দ্ৰীয় মুদ্ৰা কৰ্তৃপক্ষ। ই দেশৰ মুদ্ৰা আৰু ঋণ নীতি পৰিচালনা কৰে। ই বাণিজ্যিক বেংক আৰু চৰকাৰৰ বেংকাৰ হিচাপে কাম কৰে।

প্ৰতিখন দেশত সাধাৰণতে এটা কেন্দ্ৰীয় বেংক থাকে। ভাৰতীয় ৰিজাৰ্ভ বেংক (RBI) হৈছে ভাৰতৰ কেন্দ্ৰীয় বেংক। বেংক অফ্ ইংলেণ্ড হৈছে গ্ৰেট ব্ৰিটেইনৰ কেন্দ্ৰীয় বেংক, গছ বেংক হৈছে ৰাছিয়াৰ কেন্দ্ৰীয় বেংক, ফেডাৰেল ৰিজাৰ্ভ ব্যৱস্থা হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেন্দ্ৰীয় বেংক।

কেন্দ্ৰীয় বেংকৰ কোনো বিস্তৃত আৰু সন্তোষজনক সংজ্ঞা নাই।

Hawtryৰ মতে “কেন্দ্ৰীয় বেংক হৈছে অন্তিম মুহূৰ্তৰ ঋণদাতা।”

P. A. Samuelsonয়ে ইয়াক “বেংকৰ বেংক” বুলি সংজ্ঞায়িত কৰে।

W. A. Shawয়ে ইয়াক “ঋণ নিয়ন্ত্ৰণ কৰা বেংক” বুলিও মত প্ৰকাশ কৰে।

এনেদৰে আন কিছুমান সংজ্ঞা আছে যিবোৰ মুখ্যতঃ কেন্দ্ৰীয় বেংকৰ আন কিছুমান কাৰ্যৰ ওপৰত আধাৰিত। আমি কেন্দ্ৰীয় বেংকক এখন দেশৰ বেংকিং আৰু মুদ্ৰা ব্যৱস্থাৰ ওপৰত নিয়ন্ত্ৰন ক্ষমতা থকা এক শীৰ্ষ মুদ্ৰা প্ৰতিষ্ঠান হিচাপে বিবেচনা কৰিব পাৰো।

**কেন্দ্ৰীয় বেংকৰ বৈশিষ্ট্য ঃ**

কেন্দ্ৰীয় বেংকৰ কিছুমান মুখ্য বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল—

১) ই এক অনা-লাভ উপাৰ্জনকাৰী সংগঠন। লাভ উপাৰ্জন কৰাটো কেন্দ্ৰীয় বেংকৰ উদ্দেশ্য নহয়। ইয়াৰ লক্ষ্য হৈছে ৰাষ্ট্ৰীয় কল্যাণ।

২) নোট প্ৰচলনৰ অধিকাৰ হৈছে বিশ্বৰ সকলো দেশৰ বাবে কেন্দ্ৰীয় বেংকৰ এক সাৰ্বজনীন চৰিত্ৰ। ই দেশত সকলো ধৰণৰ মুদ্ৰাৰ প্ৰচলন কৰে।

৩) কেন্দ্ৰীয় বেংক আৰু সাধাৰণ ৰাইজৰ মাজত কোনো প্ৰত্যক্ষ সম্পৰ্ক নাই।

৪) কেন্দ্ৰীয় বেংক হৈছে কেন্দ্ৰীয় চৰকাৰৰ পুঁজি ব্যৱস্থাপনাৰ এক যন্ত্ৰ। ই চৰকাৰৰ বেংকাৰ।

৫) কেন্দ্ৰীয় বেংকে বৈদেশিক মুদ্ৰাৰ ৰক্ষক হিচাপে কাম কৰে। কেন্দ্ৰীয় বেংকৰ বৈদেশিক মুদ্ৰা সংৰক্ষণ কৰাৰ অধিকাৰ আছে।

৬) কেন্দ্ৰীয় বেংকৰ এখন দেশৰ সকলো বাণিজ্যিক বেংক আৰু অন্যান্য বিত্তীয় আৰু মুদ্ৰা প্ৰতিষ্ঠানৰ ওপৰত নিয়ন্ত্ৰণ আছে।

৭) কেন্দ্ৰীয় বেংকে দেশৰ সদস্য বাণিজ্যিক বেংকসমূহৰ সৈতে প্ৰতিযোগিতা নকৰে।

৮) ই হৈছে শীৰ্ষ বেংকিং প্ৰতিষ্ঠান।

**কেন্দ্ৰীয় বেংকৰ পৰম্পৰাগত কাৰ্যসমূহ ঃ**

সাধাৰণতে কেন্দ্ৰীয় বেংকে নিম্নলিখিত কামবোৰ সম্পাদন কৰে—

১) **মুদ্ৰা নোট জাৰী কৰা ঃ**

কাগজী মুদ্ৰা জাৰী কৰাটো কেন্দ্ৰীয় বেংকৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাম। প্ৰায় প্ৰতিখন দেশতে কেন্দ্ৰীয় বেংকে মুদ্ৰা নোট জাৰী কৰে। মুদ্ৰা নোট জাৰী কৰাৰ কেন্দ্ৰীয় বেংকৰ একচেটিয়া ক্ষমতা আছে। কেন্দ্ৰীয় বেংকৰ দ্বাৰা মুদ্ৰিত আৰু জাৰী কৰা মুদ্ৰা নোটসমূহ সমগ্ৰ দেশতে বিহীত মুদ্ৰা হিচাপে প্ৰচলন হয়। ভাৰতত ভাৰতীয় ৰিজাৰ্ভ বেংকে মুদ্ৰা নোট জাৰী কৰে।

কেন্দ্ৰীয় বেংকে উপভোগ কৰা নোট জাৰী কৰা একচেটিয়া ক্ষমতাৰ কিছুমান সুবিধা আছে—

ক) নোট জাৰী আৰু নোট প্ৰচলনত সাদৃশ্য বৰ্তাই ৰাখে।

খ) কেন্দ্ৰীয় বেংকে দেশত মুদ্ৰা যোগানৰ ওপৰত উন্নত নিয়ন্ত্ৰণ প্ৰয়োগ কৰিব পাৰে।

গ) ই দেশৰ মুদ্ৰা ব্যৱস্থাৰ ওপৰত জনসাধাৰণৰ আস্থা বৃদ্ধি কৰে।

ঘ) ই কাগজী মুদ্ৰাৰ মুদ্ৰা ব্যৱস্থাপনা সহজ কৰি তোলে।

ঙ) ই কেন্দ্ৰীয় বেংকক বাণিজ্যিক বেংকৰ দ্বাৰা অপ্ৰয়োজনীয় ঋণ সম্প্ৰসাৰণৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰাত সহায় কৰে।

২) **বেংকাৰ, এজেণ্ট আৰু চৰকাৰৰ পৰামৰ্শদাতা হিচাপে কাম কৰে ঃ**

এটা কেন্দ্ৰীয় বেংকে দেশৰ চৰকাৰৰ বেংকাৰ, প্ৰতিনিধি আৰু বিত্তীয় পৰামৰ্শদাতা হিচাপে কাম কৰে।

**ক) চৰকাৰৰ বেংকাৰ হিচাপে কেন্দ্ৰীয় বেংকে—**

(i) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ হিচাব ৰাখে।

(ii) চৰকাৰৰ পৰা জমা গ্ৰহণ কৰে।

(iii) চৰকাৰলৈ হ্ৰস্বম্যাদী অগ্ৰিম আগবঢ়ায়।

(iv) চৰকাৰী হিচাবত জমা কৰা চেক আৰু ড্ৰাফ্ট সংগ্ৰহ কৰে।

(v) চৰকাৰক বৈদেশিক মুদ্ৰাৰ সম্পদ যোগান ধৰে। (বিভিন্ন প্ৰৰিশোধ কৰাৰ বাবে)

**খ) চৰকাৰৰ প্ৰতিনিধি হিচাপে কেন্দ্ৰীয় বেংকে—**

(i) চৰকাৰৰ হৈ কৰ আৰু অন্যান্য পৰিশোধ সংগ্ৰহ কৰে।

(ii) ৰাইজৰ পৰা ঋণ সংগ্ৰহ কৰে।

(iii) ই ট্ৰেজাৰী বিলৰ লেনদেন কৰে।

(iv) আন্তৰ্জাতিক বিত্তীয় প্ৰতিষ্ঠান আৰু সন্মিলনত চৰকাৰক প্ৰতিনিধিত্ব কৰে।

**গ) চৰকাৰৰ বিত্তীয় পৰামৰ্শদাতা হিচাপে—**

কেন্দ্ৰীয় বেংকে চৰকাৰক বিত্তীয়, মুদ্ৰা, অৰ্থনৈতিক আৰু বিত্তীয় বিষয়ত পৰামৰ্শ আগবঢ়ায়।

**৩) বেংকৰ বেংক হিচাপে ঃ**

এটা কেন্দ্ৰীয় বেংকে তিনিটা ক্ষমতাৰ ওপৰত বেংকৰ বেংক হিচাপে কাম কৰে।

**(i) বাণিজ্যিক বেংকসমূহৰ নগদ সংৰক্ষণৰ ৰক্ষক হিচাপে—**

এটা কেন্দ্ৰীয় বেংকে বাণিজ্যিক বেংকসমূহৰ নগদ সংৰক্ষণ জমা ৰাখে। দেশৰ বাণিজ্যিক বেংকসমূহে ইয়াৰ নগদ ধনৰ এক নিৰ্দিষ্ট শতাংশ কেন্দ্ৰীয় বেংকৰ ওচৰত জমা হিচাপে ৰাখিব লাগিব। জৰুৰীকালীন অৱস্থাত বাণিজ্যিক বেংকবোৰে এই নগদ সংৰক্ষণ ব্যৱহাৰ কৰিব পাৰে।

কেন্দ্ৰীয় বেংকত নগদ সংৰক্ষণৰ কেন্দ্ৰীয়কৰণৰ নিম্নলিখিত সুবিধাবোৰ আছে ঃ

(ক) ই বেংকিং গাঁথনিৰ ওপৰত ৰাইজৰ আস্থা জাগ্ৰত কৰে।

(খ) ই এক বৃহৎ আৰু অধিক স্থিতিস্থাপক ঋণ গাঁথনিৰ আধাৰ হিচাপে কাম কৰিব পাৰে।

(গ) ই কেন্দ্ৰীয় বেংকক পুঁজিৰ নাটনিত ভোগা বাণিজ্যিক বেংকবোৰক অতিৰিক্ত পুঁজি প্ৰদান কৰিবলৈ সক্ষম কৰে।

**(ii) অন্তিম মুহূৰ্তৰ ঋণদাতা হিচাপে ঃ**

কেন্দ্ৰীয় বেংকে (দেশৰ শীৰ্ষ / সৰ্বোচ্চ বেংক আৰু বেংকৰ বেংক হিচাপে) অন্তিম মুহূৰ্তৰ ঋণদাতা হিচাপে কাম কৰে। কেন্দ্ৰীয় বেংকে বাণিজ্যিক বেংকবোৰক তেওঁলোকৰ যোগ্য প্ৰতিভূতি আৰু বিনিময় বিল পুনৰ বাট্টাত ভঙাই দি বিত্তীয় সাহাৰ্য প্ৰদান কৰে। বাণিজ্যিক বেংকৰ অনুৰোধত কেন্দ্ৰীয় বেংকে এই সাহাৰ্য প্ৰদান কৰে।

**কেন্দ্ৰীয় বেংকে অন্তিম মুহূৰ্তৰ ঋণদাতা হিচাপে কাম কৰাৰ সুবিধাবোৰ হৈছে—**

ক) ই সমগ্ৰ ঋণ গাঁথনিৰ স্থিতিস্থাপকতা আৰু তৰলতা বৃদ্ধি কৰে।

খ) ই পুঁজিৰ অসুবিধাৰ সময়ত বাণিজ্যিক বেংকবোৰক বিত্তীয় সাহাৰ্য প্ৰদান কৰে।

গ) ই কেন্দ্ৰীয় বেংকক দেশৰ বেংকিং পদ্ধতিৰ ওপৰত নিয়ন্ত্ৰণ ৰখাত সহায় কৰে।

(iii) **পৰিশোধ ভৱন ঃ**

বাণিজ্যিক বেংকবোৰৰ নগদ ভাণ্ডাৰৰ ৰক্ষক হিচাপে (এই বেংকবোৰৰ বাবে), কেন্দ্ৰীয় বেংকে পৰিশোধ ভৱন হিচাপে কাম কৰে। যিহেতু সকলো বেংকে কেন্দ্ৰীয় বেংকৰ ওচৰত তেওঁলোকৰ হিচাব ৰাখে সেয়েহে এটা বেংকৰ বিপৰীতে আন এটা বেংকৰ পৰস্পৰৰ দাবীবোৰ তেওঁলোকৰ হিচাবলৈ সৰল স্থানান্তৰৰ দ্বাৰা নিষ্পত্তি কৰা হয়।

কেন্দ্ৰীয় বেংকৰ পৰিশোধ ভৱনৰ কাৰ্যৰ মুখ্য সুবিধাবোৰ হৈছে—

ক) ই বেংকিং কাৰ্যকলাপত নগদ ধনৰ ব্যৱহাৰত মিতব্যয়িতা প্ৰদান কৰে।

খ) ই নগদ ধন ব্যৱহাৰ হ্ৰাস কৰে।

গ) ই সাধাৰণতে এখন দেশৰ বেংকিং ব্যৱস্থা শক্তিশালী কৰে।

৪) **সোণ আৰু বৈদেশিক মুদ্ৰা সংৰক্ষণ ঃ**

কেন্দ্ৰীয় বেংকে দেশৰ সোণ আৰু বৈদেশিক মুদ্ৰা ভাণ্ডাৰৰ ৰক্ষক হিচাপেও কাম কৰে। এটা কেন্দ্ৰীয় বেংকে মুখ্যতঃ দুটা উদ্দেশ্যৰ বাবে সোণ আৰু বিদেশী মুদ্ৰাৰ ভাণ্ডাৰ সংৰক্ষণ কৰে ঃ

ক) পৰিশোধৰ ভাৰসাম্য ৰক্ষা কৰাৰ অসুবিধা দূৰ কৰা আৰু

খ) বিনিময় হাৰত স্থিৰতা বজাই ৰখা।

৫) **ঋণ নিয়ন্ত্ৰণ ঃ**

ঋণ নিয়ন্ত্ৰণক কেন্দ্ৰীয় বেংকৰ মুখ্য কাৰ্য বুলি গণ্য কৰা হয়। অনিয়ন্ত্ৰিত ঋণৰ ফলত অৰ্থনীতিত মুদ্ৰাস্ফীতিৰ সৃষ্টি হয়।

ঋণ কাৰ্যকৰীভাৱে নিয়ন্ত্ৰণ কৰি কেন্দ্ৰীয় বেংকে—

ক) আভ্যন্তৰীণ মূল্যত স্থিৰতা আৰু

খ) বৈদেশিক বিনিময় হাৰত স্থিৰতা প্ৰতিষ্ঠা কৰে।

অৰ্থনৈতিক বিকাশ আৰু অৰ্থনীতিৰ কাৰ্যকলাপসমূহ সুচাৰুৰূপে পৰিচালিত কৰাৰ বাবে আভ্যন্তৰীণ মূল্যৰ স্থিৰতা আৰু বৈদেশিক বিনিময় হাৰৰ স্থিৰতা প্ৰয়োজনীয়।

——

## সাৰাংশ

- **কেন্দ্ৰীয় বেংক**

কেন্দ্ৰীয় বেংক হৈছে এখন দেশৰ সৰ্বোচ্চ মৌদ্ৰিক প্ৰতিষ্ঠান। ইয়াৰ স্থান এখন দেশৰ মুদ্ৰা আৰু বেংকিং গাঁথনিৰ শীৰ্ষত। কেন্দ্ৰীয় বেংক হৈছে মুদ্ৰা বজাৰৰ নেতা। ই দেশত কাৰ্যনিৰ্বাহ কৰি থকা বাণিজ্যিক বেংকবোৰৰ কাৰ্যকলাপ নিয়ন্ত্ৰণ আৰু তত্বাৱধান কৰে। কেন্দ্ৰীয় বেংক হৈছে কেন্দ্ৰীয় মুদ্ৰা কৰ্তৃপক্ষ। ই দেশৰ মুদ্ৰা আৰু ঋণ নীতি পৰিচালনা কৰে।

- **কেন্দ্ৰীয় বেংকৰ বৈশিষ্ট্য—**

(১) ই এক অনা-লাভ উপাৰ্জনকাৰী সংগঠন।

২) নোট প্ৰচলনৰ অধিকাৰ হৈছে বিশ্বৰ সকলো দেশৰ বাবে কেন্দ্ৰীয় বেংকৰ এক সাৰ্বজনীন চৰিত্ৰ।

৩) কেন্দ্ৰীয় বেংক আৰু সাধাৰণ ৰাইজৰ মাজত কোনো প্ৰত্যক্ষ সম্পৰ্ক নাই।

৪) ই চৰকাৰৰ বেংকাৰ।

৫) কেন্দ্ৰীয় বেংকে বৈদেশিক মুদ্ৰাৰ ৰক্ষক হিচাপে কাম কৰে।

৬) কেন্দ্ৰীয় বেংকে মৌদ্ৰিক ব্যৱস্থা নিয়ন্ত্ৰণ কৰে।

৭) কেন্দ্ৰীয় বেংকে দেশৰ সদস্য বাণিজিক বেংকসমূহৰ সৈতে প্ৰতিযোগিতা নকৰে।

৮) ই হৈছে শীৰ্ষ বেংকিং প্ৰতিষ্ঠান।

- **কেন্দ্ৰীয় বেংকৰ পৰম্পৰাগত কাৰ্যসমূহ—**

১) মুদ্ৰা নোট জাৰী কৰা।

২) বেংকাৰ, এজেণ্ট আৰু চৰকাৰৰ পৰামৰ্শদাতা হিচাপে কাম কৰে।

৩) বেংকৰ বেংক হিচাপে—

(i) বাণিজ্যিক বেংকসমূহৰ নগদ সংৰক্ষণৰ ৰক্ষক হিচাপে।

(ii) অন্তিম মুহূৰ্তৰ ঋণদাতা হিচাপে।

(iii) পৰিশোধ ভৰন হিচাপে।

৪) সোণ আৰু বৈদেশিক মুদ্ৰা ভাণ্ডাৰৰ ৰক্ষক

৫) ঋণ নিয়ন্ত্ৰণ